# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 11-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ভাৰতীয় সশস্ত্ৰ বাহিনীৰ তিনিওটা শাখাই আজি সন্ধিয়া নতুন দিল্লীত এখন সংবাদমেল যোগে অপাৰেচন সিন্দুৰ সন্দৰ্ভত অৱগত কৰে। সংবাদ মেলত স্থল সেনা বাহিনীৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান ডি জি এম অ' লেফটেনেণ্ট জেনেৰেল ৰাজীৱ ঘাই, বায়ুসেনা বাহিনীৰ ডি জি এম অ' এয়াৰ মাৰ্শ্বাল এ কে ভাৰ্‌টি আৰু নৌসেনা বাহিনীৰ ডি জি এম অ' ভাইচ এডমিৰেল প্ৰমোদে অংশগ্ৰহণ কৰে। স্থলসেনা বাহিনীৰ ডি জি এম অ'গৰাকীয়ে কয় যে পেহেলগামত ২৬জন নিৰীহ লোকক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ প্ৰত্যুত্তৰ হিচাপে অপাৰেশ্বন সিন্দুৰৰ জৰিয়তে সন্ত্ৰাসবাদবিৰোধী অভিযান চলোৱা হৈছিল। ইয়াৰ দ্বাৰা সন্ত্ৰাসবাদীৰ ঘাটিসমূহ চিনাক্ত কৰি ধ্বংস কৰাৰ লগতে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰা আন্তঃগাঁথনি নষ্ট কৰাৰো চেষ্টা চলোৱা হৈছিল। এই অভিযানত তিনিজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী ইউচুফ আজহাৰ, আব্দুল মালিক ৰৌফ আৰু মুদাছিৰ আহমেদৰ লগতে মুঠ ১০০জন সন্ত্ৰাসবাদী নিহত হোৱা বুলি তেওঁ প্ৰকাশ কৰে। এই সন্ত্ৰাসবাদীকেইজন পুলৱামা বিস্ফোৰণ আৰু বিমান অপহৰণৰ ঘটনাৰ সৈতেও জড়িত আছিল।

বায়ুসেনা বাহিনীৰ ডি জি এম অ' এ কে ভাৰ্‌টিয়ে বায়ুসেনাই অভিযানত আঘাত হনা স্থানসমূহৰ নক্সাচিত্ৰ প্ৰদৰ্শন কৰে। এই অভিযানত সন্ত্ৰাসবাদীৰ কেইবাটাও প্ৰশিক্ষণ শিবিৰ ধ্বংস কৰা হৈছে বুলিও তেওঁ তথ্য সহকাৰে প্ৰকাশ কৰে। পাকিস্তানে ভাৰতৰ জনবসতিপূৰ্ণ অঞ্চল আৰু সামৰিক ঘাটিলৈ লক্ষ্য কৰি অপ্ৰৰোচিতভাৱে গোলাবৰ্ষণ আৰু ড্ৰোণেৰে কৰা আক্ৰমণ সশস্ত্ৰ বাহিনীয়ে প্ৰতিহত কৰে বুলি তেওঁ সদৰি কৰে।

নৌ সেনা বাহিনীৰ ডি জি এম অ' প্ৰমোদে সংবাদ মেলত কয় যে, ভাৰতে দায়িত্বশীল, যথোচিতভাৱে পাকিস্তানৰ আক্ৰমণ আৰু অভিসন্ধিৰ প্ৰত্যুত্তৰ দিছে।

০০০০

ৰাজ্যত দুটা পৰ্যায়ত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা ২৭খন জিলাত একেলগে চলি আছে। নিৰ্বাচন ২৫ হাজাৰ ৭ টা কেন্দ্ৰত বেলটযোগে অনুষ্ঠিত হৈছে। ভোটদাতাসকলে ২১ হাজাৰ ২০ খন গাঁও পঞ্চায়ত, ২ হেজাৰ ১৯১ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৯৭ টা জিলা পৰিষদৰ সদস্য পদৰ বাবে অনুষ্ঠিত নিৰ্বাচনত নিজ নিজ ভোটাধিকাৰ সাব্যস্ত কৰে। আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ একাংশ পদত ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। এইবাৰ গাঁও পঞ্চায়ত সদস্যৰ বাবে কোনো দলীয় প্ৰাৰ্থী নাছিল, ৰাজনৈতিক দলৰ সলনি নিৰ্দলীয়ভাৱে প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

০০০০

**সমৰ্থ প'ৰ্টেলৰ** জৰিয়তে শিক্ষাৰ্থীসকলে কাইলৈৰ পৰা চলিত ২০২৫-২৬ বৰ্ষত স্নাতক পাঠ্যক্ৰমত নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। ৰাজ্যৰ শিক্ষা বিভাগে এই সন্দৰ্ভত জাননী জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন'ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত কাইলৈৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৯ মে'ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধা তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধা তালিকা প্ৰকাশ পাব। ৪ জুন আৰু ৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৭ জুনত দ্বিতীয়খন মেধা তালিকা প্ৰকাশ পাব। ৯ জুন আৰু ১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত হোৱা শিক্ষাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১১ জুনৰ পৰা ১৪ জুনলৈকে পোনপটীয়া নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। অহা ১ আগষ্টৰ পৰা প্ৰথম যান্মাষিকৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চি ইউ ই টিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া ৫ জুলাইৰ পৰা আৰম্ভ হ'ব।

০০০০

পৰিয়াল আৰু সমাজলৈ মাতৃসকলে আগবঢ়োৱা অনব্যদ অৱদানক সন্মান জনোৱাৰ উদ্দেশ্যে আজি বিশ্বজুৰি মাতৃ দিৱস উদযাপন কৰা হৈছে। প্ৰতি বছৰৰ মে'ৰ দ্বিতীয়টো দেওবাৰে এই দিৱস উদযাপন কৰা হয়। এই দিৱসৰ জৰিয়তে পৰিয়ালৰ প্ৰতি থকা ভালপোৱা, যত্ন আৰু ত্যাগৰ বাবে মাতৃগৰাকীক সন্মান জনোৱাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰা হয়।

অসমতো আজি এই দিৱস উপলক্ষে মাতৃসকলক সন্মান জনায় অনুস্থানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মাতৃ দিৱস উপলক্ষে দিয়া বাৰ্তাত প্ৰতিগৰাকী মাতৃলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ কয় যে অসম প্ৰতিগৰাকীৰ মাতৃৰ কল্যাণৰ হকে কাম কৰি যাবলৈ সংকল্পবদ্ধ। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাতৃ দিৱসত প্ৰতিগৰাকী মাতৃক শ্ৰদ্ধা জনোৱাৰ লগতে দেশৰ প্ৰতিকূল সময়ত নিজৰ সন্তানক দেশমাতৃৰ সেৱাত আগবঢ়াই দিয়াটো অতুলনীয় সাহস আৰু উদাৰতাৰ নিদৰ্শন বুলি মন্তব্য কৰে। এনে মাতৃ সকলৰ ত্যাগ, ধৈৰ্য্য আৰু দেশপ্ৰেমে ৰাষ্ট্ৰক শক্তিশালী কৰি তোলে বুলি তেওঁ মন্তব্য কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰনোজ পেগুৰেও মাতৃ দিৱসৰ পবিত্ৰ ক্ষণত মাতৃসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০

চিৰাং জিলাৰ ডাংতল ৰে'ল ষ্টেচনৰ সমীপৰ জংঘলৰ পৰা আৰক্ষীয়ে অভিযান চলাই তেলভৰ্তি কেইবাটাও ড্ৰাম উদ্ধাৰ কৰে। কাজলগাঁও আৰক্ষীৰ অভিযানত ২২০ লিটাৰ তেল উদ্ধাৰ কৰা হয়। চিৰাঙৰ ঢালিগাঁৱত থকা বঙাইগাঁও শোধনাগাৰৰ পৰা ৰে'লযোগে সৰবৰাহ কৰা তেলখিনি চুৰি কৰা হৈছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত